প্ৰকৃত মুছলিম হৈছে সেইজন, যাৰ হাত আৰু জিভাৰ দ্বাৰা অন্যান্য মুছলমানসকল সুৰক্ষিত থাকে। এইদৰে প্ৰকৃত মুহাজিৰ হৈছে সেইজন, যিয়ে আল্লাহৰ নিষেধকৃত বস্তুৰ পৰা বিৰত থাকে।

আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "প্ৰকৃত মুছলিম হৈছে সেইজন, যাৰ হাত আৰু জিভাৰ দ্বাৰা অন্যান্য মুছলমানসকল সুৰক্ষিত থাকে। এইদৰে প্ৰকৃত মুহাজিৰ হৈছে সেইজন, যিয়ে আল্লাহৰ
নিষেধকৃত বস্তুৰ পৰা বিৰত থাকে।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, প্ৰকৃত মুছলিম হৈছে সেইজন, যিয়ে কাকো গালি নাপাৰে, অভিশাপ নকৰে আৰু কাৰো সমালোচনা নকৰে, আনকি জিভাৰ দ্বাৰা কাকো কোনো ধৰণৰ কষ্ট নিদিয়ে। এইদৰে হাতৰ দ্বাৰাও কাৰো প্ৰতি অন্যায়-অত্যাচাৰ নকৰে, তথা বিনা কাৰণত কাৰো সম্পদ অন্যায়ভাৱে নলয়, বা এনেকুৱা ধৰণৰ কোনো কাম নকৰে। এইদৰে প্ৰকৃত মুহাজিৰ হৈছে সেইজন, যিয়ে আল্লাহে হাৰাম কৰা বস্তুৰ পৰা বা কৰ্মৰ পৰা বিৰত থাকে।

http://www.sunnah.global/hadeeth/as/show/10101